# Visit of Prime Minister to Lumbini, Nepal (May 16, 2022)

May 16, 2022

## প্ৰধানমন্ত্ৰীৰ নেপালৰ লুম্বিনী ভ্ৰমণ (16 মে', 2022)

পৱিত্ৰ বুদ্ধ পূৰ্ণিমা উদযাপন উপলক্ষে প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি (১৬ মে') নেপালৰ লুম্বিনী ভ্ৰমণ কৰে। সেই দেশৰ প্ৰধানমন্ত্ৰী শ্ৰী শেৰ বাহাদুৰ দেউবাৰ আমন্ত্ৰণত শ্ৰী মোদীৰ এই ভ্ৰমণ। প্ৰধানমন্ত্ৰী হিচাপে এয়া তেওঁৰ পঞ্চম নেপাল আৰু প্ৰথম লুম্বিনী ভ্ৰমণ।

2.সেই দেশৰ প্ৰধানমন্ত্ৰী শ্ৰী শেৰ বাহাদুৰ দেউবা আৰু তেওঁৰ পত্নী ডঃ আৰ্জু ৰাণা দেউবা; সেই দেশৰ গৃহ মন্ত্ৰী বালকৃষ্ণ খন্দ; বিদেশ মন্ত্ৰী ডঃ নাৰায়ণ খাদকা; বাহ্যিক আন্তঃগাঁথনি আৰু পৰিবহণ মন্ত্ৰী শ্ৰীমতী ৰেণু কুমাৰী যাদৱ; বিদ্যুৎ জলসম্পদ আৰু জলসিঞ্চন মন্ত্ৰী শ্ৰীমতী পম্ফা ভূষাল; সংস্কৃতি, অসামৰিক বিমান পৰিবহণ তথা পৰ্যটন মন্ত্ৰী শ্ৰী প্ৰেমবাহাদুৰ আলে; শিক্ষামন্ত্ৰী শ্ৰী দেৱেন্দ্ৰ পৌড়েল; আইন আৰু বিচাৰ তথা সংসদ বিষয়ক মন্ত্ৰী শ্ৰী গোবিন্দ প্ৰসাদ শৰ্মা আৰু লুম্বিনী প্ৰদেশৰ মুখ্যমন্ত্ৰী শ্ৰী কুলপ্ৰসাদ কে চিয়ে প্ৰধানমন্ত্ৰী শ্ৰী মোদীক উষ্ণ অভ্যৰ্থনা জনায়।

3.লুম্বিনীত উপস্থিত হোৱাৰ পিছত দুই প্ৰধানমন্ত্ৰীয়ে পৱিত্ৰ মায়াদেৱী মন্দিৰ পৰিদৰ্শন কৰে। ইয়াতেই আছে ভগবান বুদ্ধৰ আবিৰ্ভাৱ ভূমি। মন্দিৰত দুই প্ৰধানমন্ত্ৰীয়ে বৌদ্ধ ৰীতি-নীতি মানি প্ৰাৰ্থনাসভাত যোগ দিয়ে আৰু পূজা-অৰ্চনাত অংশ লয়। ইয়াৰ পিছতে দুই প্ৰধানমন্ত্ৰীয়ে ঐতিহাসিক অশোক স্তম্ভ পৰিদৰ্শন কৰি বন্তি প্ৰজ্বলন কৰে। উল্লেখ কৰিব পাৰি, এই অশোক স্তম্ভই ভগৱান বুদ্ধৰ আবিৰ্ভাৱ স্থল হিচাপে লুম্বিনীৰ প্ৰথম প্ৰামাণিক সাক্ষ্য বহন কৰিছে। তাত যি পৱিত্ৰ বোধি বৃক্ষ আছে, তাত দুই প্ৰধানমন্ত্ৰীয়ে জল দিয়ে। ২০১৪-ত নেপাল ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে উপহাৰ হিচাপে এই গাছজোপা লৈ আহিছিল।

4.সেই দেশৰ প্ৰধানমন্ত্ৰী শ্ৰী দেউবাৰ সৈতে প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে নতুন দিল্লী ভিত্তিক আন্তৰ্জাতিক বৌদ্ধ কনফেডাৰেশ্যনৰ এক্তিয়াৰত থকা লুম্বিনীৰ এক ভূখণ্ডত ভাৰত আন্তৰ্জাতিক বৌদ্ধ সংস্কৃতি আৰু ঐতিহ্য কেন্দ্ৰৰ নিৰ্মাণ কামৰ শিলান্যাস অনুষ্ঠানত যোগ দিয়ে। লুম্বিনী ডেভেলপমেন্ট ট্ৰাষ্টে যোৱা নৱেম্বৰ মাহত এই ভূখণ্ড নতুন দিল্লীৰ আন্তৰ্জাতিক বৌদ্ধ কনফেডাৰেশ্যনৰ হাতত তুলি দিয়ে। শিলান্যাস অনুষ্ঠানৰ পিছত দুই প্ৰধানমন্ত্ৰীয়ে এটা বৌদ্ধ চেন্টাৰৰ মডেলৰ আৱৰণ উন্মোচন কৰে। এই কেন্দ্ৰটোত যাৱতীয় বিশ্বমানৰ সুযোগ-সুবিধা থাকিব। ইয়াৰ মাজত আছে - প্ৰাৰ্থনাসভা গৃহ, ধ্যান কেন্দ্ৰ, গ্ৰন্থাগাৰ, প্ৰদৰ্শনী কক্ষ, ক্যাফেটেৰিয়া প্ৰভৃতি। সমগ্ৰ বিশ্বৰ বৌদ্ধ পুণ্যাৰ্থী আৰু পৰ্যটকসকলৰ বাবে এই সকলো সুযোগ-সুবিধা গঢ়ি তোলাৰ পৰিকল্পনা লোৱা হৈছে।

5.দুই প্ৰধানমন্ত্ৰীয়ে এক দ্বিপাক্ষিক বৈঠকত নতুন দিল্লীত যোৱা দুই এপ্ৰিলত আয়োজিত তেওঁলোকৰ আলাপ-আলোচনাৰ সূত্ৰ ধৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। দুই দেশৰ প্ৰধানমন্ত্ৰীৰ মাজত আজিৰ বৈঠকত বিভিন্ন ক্ষেত্ৰত সহযোগিতাক অধিক নিবিড় কৰাৰ নানা দিশ সন্দৰ্ভত আলোচনা হয়। ইয়াৰ মাজত আছে সংস্কৃতি, অৰ্থনীতি, বাণিজ্য, যোগাযোগ স্থাপন, বিদ্যুৎ আৰু উন্নয়নমূলক অংশীদাৰিত্ব। সেই দেশৰ লুম্বিনী আৰু ভাৰতৰ কুশি নগৰৰ মাজত (এই দুখন চহৰক ছিষ্টাৰ চিটি হিচাপে গণ্য কৰা হয়) যোগাযোগ স্থাপনৰ ক্ষেত্ৰতো উভয় পক্ষ নৈতিকভাৱে

সন্মত হৈছে। এই দুখন চহৰ বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ বাবে অত্যন্ত পৱিত্ৰ, যি দুই দেশৰ মাজত অভিন্ন বৌদ্ধ পৰম্পৰাক প্ৰতিফলিত কৰে।

6.সাম্প্ৰতিক মাহবিলাকত বিদ্যুৎ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতাত যি অগ্ৰগতি হৈছে, তাত দুয়োজন প্ৰধানমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে। উল্লেখ কৰিব পাৰি, বিভিন্ন বিদ্যুৎ প্ৰকল্পৰ পৰা উৎপাদন আৰম্ভ, বিদ্যুৎ সৰবৰাহ পৰিকাঠামো আৰু বিদ্যুৎ লেনদেনৰ ক্ষেত্ৰত সাম্প্ৰতিক মাহবিলাকত উল্লেখযোগ্য অগ্ৰগতি হৈছে। সেই দেশৰ প্ৰধানমন্ত্ৰী শ্ৰী দেউবাই পশ্চিম সেতি জলবিদ্যুৎ প্ৰকল্পৰ সাৰ্বিক উন্নয়নত ভাৰতীয় সংস্থাসমূহক অংশগ্ৰহণৰ আহ্বান জনায়। নেপালৰ জলবিদ্যুৎ ক্ষেত্ৰৰ উন্নয়নত শ্ৰী মোদীয়ে ভাৰতৰ ফালৰ পৰা সকলো ধৰণৰ সহায়ৰ আশ্বাস দিয়ে। দুই দেশৰ প্ৰধানমন্ত্ৰীয়ে মানুহৰ সৈতে মানুহৰ শিক্ষা আৰু সাংস্কৃতিক আদান-প্ৰদান অধিক সম্প্ৰসাৰিত কৰাৰ ক্ষেত্ৰতো সহমত প্ৰকাশ কৰে। সেই দেশৰ প্ৰধানমন্ত্ৰী শ্ৰী দেউবাই প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ সন্মানাৰ্থে এটি মধ্যাহ্ন ভোজনৰ আয়োজন কৰে।

7.নেপাল চৰকাৰৰ তত্ত্বাৱধানত লুম্বিনী ডেভেলপমেন্ট ট্ৰাষ্টৰ ফালৰ পৰা ২৫৬৬তম বুদ্ধ জয়ন্তী উদযাপন অনুষ্ঠানত দুয়োজন প্ৰধানমন্ত্ৰীয়ে যোগ দিয়ে। এই উপলক্ষে প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে এখন সমাবেশত ভাষণ দিয়ে। এই সমাবেশত বৌদ্ধ সন্ন্যাসী, বিষয়া, অতিথি আৰু বৌদ্ধ জগতৰ সৈতে যুক্ত ব্যক্তিসকল উপস্থিত আছিল।

8.উল্লেখ কৰিব পাৰি যে নেপালৰ প্ৰধানমন্ত্ৰী শ্ৰী দেউবাই যোৱা একৰ পৰা তিনি এপ্ৰিলত দিল্লী আৰু বাৰাণসী ভ্ৰমণ কৰে। তেওঁৰ এই ভ্ৰমণৰ আঁত ধৰিয়েই প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ আজিৰ এই লুম্বিনী ভ্ৰমণ। শ্ৰী মোদীৰ আজিৰ এই ভ্ৰমণে শিক্ষা, সংস্কৃতি, বিদ্যুৎ আৰু মানুহৰ সৈতে মানুহৰ সম্পৰ্ক অধিক নিবিড় কৰি তোলাৰ দৰে ক্ষেত্ৰত দুই দেশৰ মাজত বহুমাত্ৰিক অংশীদাৰিত্বত অধিক গতি সঞ্চাৰ কৰিব। প্ৰতিবেশী দুই দেশ ভাৰত আৰু নেপালৰ মাজত সভ্যতাগত যি নিবিড় আৰু সমৃদ্ধ সম্পৰ্ক আছে সেয়া আৰু প্ৰসাৰিত কৰাৰ উদ্যোগ প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ এই ভ্ৰমণৰ মাজেৰে পুনৰায় প্ৰতিফলিত হয়।

9.শ্ৰী মোদীৰ এই ভ্ৰমণৰ সময়ত যিবোৰ বিষয়ত নথিপত্ৰ বিনিময় হৈছে তাৰ তালিকা এই লিংকত ক্লিক কৰি চাব পাৰিব - https://mea.gov.in/bilateral-documents.htm?dtl/35314

লুম্বিনি
মে 16, 2022

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.